# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ আজি কাজিৰঙাত অনুষ্ঠিত দ্বিতীয়খন বৈঠকত এহেজাৰ ৪০০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে অসম তথা দেশৰ আভ্যন্তৰীন জলপথ পৰিবহন খণ্ডৰ কেইবাটাও নতুন প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত পাণ্ডু জাহাজ মেৰামতি কেন্দ্ৰৰ পৰা পাণ্ডু বন্দৰলৈ সংযোগী পথ, ১৬ নম্বৰ অৰ্থাৎ বৰাক আৰু দুই নম্বৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰ ৰাষ্ট্ৰীয় জলপথত চলাচলৰ বাবে ১২ খন জাহাজ ক্ৰয়, বৰাক নদীৰ বাবে এখন জৰীপ জাহাজ ক্ৰয় আদি বিভিন্ন ঘোষণা কৰা হয়। বৈঠকত লগতে জাহাজ আৰু কৰ্মচাৰী পঞ্জীয়নৰ বাবে ডিজিটেল ইণ্ডিয়া নামৰ কেন্দ্ৰীয় তথ্য সমৃদ্ধ এটা পোৰ্টেল মুকলি কৰা হয়। আজিৰ এই বৈঠকতে ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰ্নিৰ্মাণ, আঞ্চলিক উৎকৰ্ষ কেন্দ্ৰ স্থাপন, ৰাজ্যৰ চাৰিটা স্থানত পৰ্যটন টাৰ্মিনেলৰ বিকাশ আদি আন কেইবাটাও প্ৰকল্পত অনুমোদন দিয়া হয়। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে বিগত ১০ বছৰত ৰাষ্ট্ৰীয় জলপথসমূহৰ যোগেদি দেশৰ যাতায়াত ব্যৱস্থা উন্নত কৰি তোলা হৈছে। ২০১৪ চনলৈকে দেশত কেৱল ৫টা ৰাষ্ট্ৰীয় জলপথ আছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে পৰৱৰ্তী সময়ত দেশৰ প্ৰতিখন ৰাজ্যৰ নদীসমূহক অধ্যয়ন কৰি বৰ্তমান ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ১১১ লৈ বৃদ্ধি কৰা হৈছে। বিগত সময়ছোৱাত মালবাহী জাহাজ পৰিবহনৰ ক্ষেত্ৰত ভাৰতৰ অভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদে ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছে বুলিও সোণোৱালে উল্লেখ কৰে।

অনুষ্ঠানত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰ, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অন্ধ্ৰ প্ৰদেশৰ পথ আৰু ভৱন মন্ত্ৰী বি চি জনাৰ্দন ৰেড্ডী, অৰুণাচল প্ৰদেশৰ গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰী অজিং টেচিংঙকে ধৰি আন কেইবাখনো ৰাজ্যৰ মন্ত্ৰী উপস্থিত থাকে।

০০০০০

যোৱা সোমবাৰে উমৰাংছ'ৰ তিন কিলোৰ কয়লা খনিত হঠাতে সোমোৱা পানীৰ বাবে সংঘটিত দুৰ্ঘটনাৰ উদ্ধাৰ অভিযানৰ আজি পঞ্চম দিনাও খনিৰ ভিতৰত আবদ্ধ শ্ৰমিকৰ সন্ধান উলিয়াব পৰা হোৱা নাই। এই উদ্ধাৰ কাৰ্যত সহায়ৰ বাবে নাগপুৰৰ পশ্চিম ক'ল ফিল্ড লিমিটেডৰ পৰা অহা দলেও অভিযান নামি পৰিছে। দলটোৱে অত্যাধুনিক পানী নিষ্কাষণ যন্ত্ৰৰে প্ৰতি মিনিটত ৫০০ গেলন পানী সিঁচাৰ কাম অব্যাহত ৰাখিছে। নৌ সেনা বাহিনী, এন ডি আৰ এফ, এছ ডি আৰ এফ, ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী বাহিনী আৰু জিলা প্ৰশাসনু সমূহীয়া

প্ৰচেষ্টাৰ পাছতো কয়লা খনিটোত পানীৰ পৰিমাণ হ্ৰাস কৰিব পৰা হোৱা নাই বুলি উদ্ধাৰ অভিযান তদাৰকী কৰা এগৰাকী শীৰ্ষ বিষয়াই প্ৰকাশ কৰিছে।

ইফালে, ডিমা-হাচাও আৰক্ষীয়ে আজি অবৈধ কয়লাখনিটোৰ  শ্ৰমিকৰ চৰ্দাৰ বুলি পৰিচিত হান্নান লস্কৰ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাত এতিয়ালৈকে দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

ooooo

শোণিতপুৰৰ জিলা দণ্ডাধীশে আজি এটা নিৰ্দেশ যোগে জিলাখনৰ গৰৈমাৰী মৌজাৰ খলিহামাৰি গাঁৱৰ দেৱেন্দ্ৰ নগৰত অৱস্থিত ফায়াৰিং ৰেঞ্জক সংৰক্ষিত এলেকা হিচাপে ঘোষণা কৰিছে। সশস্ত্ৰ সীমা বাহিনী চমুকৈ এছ এছ বিৰ অধীনৰ এই অঞ্চলটোত বাহিনীটোৰ জোৱান, বিষয়া, জিলা প্ৰশাসনৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত আৰক্ষীৰ লোকৰ বাহিৰে সৰ্বসাধাৰণ ৰাইজৰ প্ৰৱেশ আৰু চলাচল আজিৰে পৰা নিষিদ্ধ কৰা হৈছে। অসম ৰাজহুৱা শৃংখলা ৰক্ষা আইন-১৯৬০ৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

ooooo

যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে আজি তিনিচুকীয়া জিলাৰ ডিগবৈ, ডুমডুমা, তিনিচুকীয়া আৰু ৰূপাই চাইদিং ভ্ৰমণ কৰি দলীয় কৰ্মকৰ্তাসকলৰ সৈতে সমাগত পঞ্চায়ত নিৰ্বাচন সম্পৰ্কত আলোচনা কৰে। পাছত ডিগবৈত তেওঁ উমৰাংছ' ঘটনাত চৰকাৰৰ ভূমিকাৰ প্ৰতিবাদত আয়োজন কৰা এটা প্ৰতিবাদী কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সাংসদগৰাকীয়ে ২০২১ চনতে ন্যায়াধীশ গজেন্দ্ৰ প্ৰসাদৰ প্ৰতিবেদনত এন্দুৰৰ গাঁত সদৃশ খনি বন্ধ কৰাৰ বাবে দিয়া স্পষ্ট নিৰ্দেশ অসম চৰকাৰে গ্ৰহণ নকৰা বুলি অভিযোগ কৰে।

ooooo

দৈনিক জনমভূমি কাকতৰ চাৰিঙৰ সংবাদদাতা পদ্মলোচন খনিকৰক ২০২৪ বৰ্ষৰ কনক চন্দ্ৰ শৰ্মা সোঁৱৰণী সাংবাদিকতা বঁটা আগবঢ়োৱা হৈছে। ১৯৯৭ চনৰ পৰা বিভিন্ন বাতৰি কাকতত সংবাদদাতাৰূপে কাম কৰি অহা খনিকৰে ইয়াৰ আগতে সংবাদ বন্ধুকে ধৰি আন কেইবাটাও বঁটা লাভ কৰিছে। দৈনিক জনমভূমিৰ প্ৰতিষ্ঠাপক কনক চন্দ্ৰ শৰ্মাৰ স্মৃতিত প্ৰতিবছৰে আগবঢ়াই অহা এই বঁটা কাইলৈ দৈনিক জনমভূমি কাকতৰ গুৱাহাটীৰ কাৰ্যালয়ত শ্ৰী খনিকৰক প্ৰদান কৰা হ'ব।

ooooo

শিৱসাগৰ জিলা আয়ুক্তই জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত লালিগুৰ বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। অৱশ্যে জিলা দণ্ডাধীশ, অতিৰিক্ত জিলা দণ্ডাধীশ আৰু পশু চিকিৎসা বিষয়াৰ পূৰ্বৰ অনুমতি সাপেক্ষে পশু খাদ্যৰ বাবে লালিগুৰ ক্ৰয় কৰিব পাৰিব। এই নিৰ্দেশনা অহা দুমাহলৈ বাহাল থাকিব। কোনো ব্যক্তিয়ে এই নিৰ্দেশনা উলংঘা কৰিলে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি জিলা আয়ুক্তই প্ৰকাশ কৰিছে।

ooooo

যোৰহাট জিলা মুক্তিযুজাৰু সন্মিলনৰ উদ্যোগত সন্মিলনৰ সভাপতি তথা মুক্তিযোদ্ধা খৰ্গেশ্বৰ গগৈৰ ১০৬ সংখ্যাক জন্মদিন উপলক্ষে আজি তেওঁৰ বাসগৃহত এটা গাম্ভিয্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে তেওঁক শতায়ু সৌৰভ উপাধি প্ৰদান কৰা হয়। জিলাখনৰ বহুকেইটা সংগঠন আৰু প্ৰতিষ্ঠানে মুক্তিযোদ্ধাগৰাকীক শৰাই, চেলেং, গামোচা আৰু প্ৰশস্তিপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

ooooo

সমাপ্ত